# কৰিন্থীয়াবিলাকৰ প্ৰতি দ্বিতীয় পত্ৰ

১ ১ঈশ্বৰৰ ইচ্ছা অনুসৰি খ্ৰীষ্ট যীচুৰ এগৰাকী পাঁচনি
স্বৰূপে মই পৌল তথা আমাৰ ভাই তীমথিয়
তোমালোকলৈ অভিবাদন আগঢ়াইছো।
কৰিন্থত থকা ঈশ্বৰৰ মণ্ডলী আৰু গোটেই আখায়া প্ৰদেশত
থকা ঈশ্বৰৰ পবিত্ৰ লোকসমূহৰ উদ্দেশ্যে এই পত্ৰ লিখিছো:
২আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ আৰু
শান্তি তোমালোকলৈ হওক।

### পৌলৰ ঈশ্বৰলৈ ধন্যবাদ জ্ঞাপন

৩আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টৰ প্ৰশংসা হওক। তেওঁ
অতি দয়ালু পিতৃ আৰু শান্তনাদাতা ঈশ্বৰ। ৪তেওঁ আমাক
সকলো ক্লেশৰ মাজত শান্তনা দিয়ে, যাতে আনে যেতিয়া দুঃখ
কষ্টৰ মাজত পৰে তেতিয়া ঈশ্বৰৰ পৰা আমি যি শান্তনা লাভ
কৰিলো, তেওঁলোকক সেই শান্তনা দিবলৈ পাৰো। ৫কিয়নো
আমি খ্ৰীষ্টৰ অনেক দুঃখ কষ্টৰ সহভাগী হৈছো, সেইদৰে
আমালৈ খ্ৰীষ্টৰ যোগেদি অশেষ শান্তনা উপচি পৰিছে। ৬যদি
আমি পোৱা যাতনা তোমালোকৰ পৰিত্ৰাণ আৰু শান্তনাৰ
বাবে হয়; আৰু আমাৰ শান্তনা পোৱা যদি তাক তোমালোকৰ
উদ্দেশ্যে হয়। এই শান্তনাই আমাৰ দৰে তোমালোককো
একেদৰে ক্লেশ ভোগ কৰাত শক্তি আৰু ধৈৰ্য্য যোগায়।
৭তোমালোকৰ আশাত আমি সুনিশ্চিত, কিয়নো আমি জানো
যে তোমালোকে যেনেকৈ আমাৰ যাতনাৰ সহভাগী, ঠিক
সেই একেদৰে আমাৰ শান্তনাৰো সহভাগী।
৮হে ভাই সকল, এচিয়া প্ৰদেশত থকাৰ সময়ত আমাৰ
যি ক্লেশ হৈছিল তাক তোমালোকে জনাটো আমাৰ
ইচ্ছা। সেই দুঃখ কষ্ট আমাৰ সহন কৰিব পৰা শক্তিৰ
ইমান অতিৰিক্ত আছিল যে আমাৰ জীৱনৰ আশাও আমি
ত্যাগ কৰিছিলো। ৯আচলতে, আমাৰ এনে অনুভৱ হৈছিল
যেন আমাৰ বিৰুদ্ধে মৃত্যুদণ্ড জাৰি কৰা হৈছে; কিন্তু এয়া
ঘটিছিল যাতে আমি নিজৰ ওপৰত নিৰ্ভৰ নকৰি, যি জনে
মৃত্যুৰ পৰা জীৱিত কৰে সেই জন ঈশ্বৰত যেন সম্পূৰ্ণ
নিৰ্ভৰ কৰো। ১০তেৱেঁই আমাক ইমান ভয়ংকৰ মৃত্যুৰ
বিপদৰ পৰা উদ্ধাৰ কৰিলে, আৰু আমাৰ তেওঁৰ ওপৰত
দৃঢ় বিশ্বাস যে তেওঁ আমাক সদায়েই উদ্ধাৰ কৰিব। ১১আৰু
তোমালোকেও প্ৰাৰ্থনাৰে আমাক সহায় কৰিব পাৰা। যাতে
বহুতো লোকে ঈশ্বৰক ধন্যবাদ দিব পাৰিব যে, তেওঁলোকৰ
অশেষ প্ৰাৰ্থনাৰ কাৰণে ঈশ্বৰে আমাক এনে আৰ্শীবাদ
কৰিলে।

### পৌলৰ পৰিকল্পনাৰ সলনি

১২এই বিষয়ে আমি গৰ্ব কৰিব পাৰো,আৰু আমি সুস্থ মনৰে
স্পষ্টকৈ কব পাৰো যে,আমি এই জগতৰ মানুহৰ প্ৰতি,
বিশেষকৈ তোমালোকৰ প্ৰতি ঈশ্বৰে দিয়া সত্যতা আৰু
আন্তৰিকতাৰে আচৰণ কৰি আহিছো। আমি ইয়াক জগতৰ
জ্ঞানৰ দ্বাৰা কৰা নাই, ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰায়হে আমি তাক
কৰিলো। ১৩তোমালোকে যি পঢ়িব আৰু বুজিব পাৰিবা
তাকেহে কেৱল আমি তোমালোকলৈ লিখিছো। আশা
কৰো তোমালোকে সম্পূৰ্ণ সুস্থভাৱে বুজিবলৈ পাৰিবা।
১৪যেনেকৈ তোমালোকে আমাৰ সম্বন্ধে ইতিমধ্যেই
কিছুকথা বুজি পাইছা।মই আশা কৰো তোমালোকে ইয়াক
বুজি আমাকলৈ যেনেকৈ গৰ্বিত হবা ঠিক তেনেকৈ আমাৰ
প্ৰভু যীচুৰ পুনৰ আগমনৰ দিনা আমিও তোমালোকৰ বিষয়ে
গৰ্বিত হম।
১৫আৰু এই দৃঢ় প্ৰত্যয়ৰে মই তোমালোকৰ ওচৰলৈ
প্ৰথমেই যোৱাৰ কথা ভাবিছিলো যাতে তোমালোকে
দ্বিতিয়বাৰৰ বাবে পুনৰ আৰ্শীৰ্ব্বাদ পোৱাৰ সুযোগ
পোৱা। ১৬মই ভাবিছিলো মাকিদনিয়ালৈ যোৱাৰ পথত
তোমালোকক দেখা কৰি যাম ; আকৌ পুনৰ মাকিদনিয়াৰ
পৰা তোমালোকৰ ওচৰলৈ উলটি আহিম। আৰু তাৰ
পাছত তোমালোকৰ দ্বাৰায় যেন আমাৰ যিহুদীয়া যোৱাৰ
সকলো ব্যৱস্থাত সহায় হয়। ১৭তোমালোকে ভাবানে এই
পৰিকল্পনা মই একো চিন্তা নকৰাকৈ কৰিলো? নতুবা মই
কি জগতৰ সাধাৰণ লোকসমূহৰ দৰে আঁচনি কৰিলো নে,
যিবিলাকে একেসময়তে “হয়-হয়,” আৰু পাছে “নহয়-
নহয়” কয়?
১৮কিন্তু ঈশ্বৰ যেনেকৈ বিশ্বাসী, তেনেকৈ তোমালোকেও
বিশ্বাস কৰা যে আমিও একেসময়তে দুয়োটা হয় বা নহয়
এই দুয়োটা নকওঁ। ১৯ঈশ্বৰৰ পুত্ৰ, যীচু খ্ৰীষ্টৰ কাৰণে, যি
জনাক আমাৰ দ্বাৰায়-অৰ্থাৎ মই,চীল আৰু তীমথিয়ৰ দ্বাৰায়
তোমালোকৰ আগত প্ৰচাৰ কৰা হল, সেয়া “হয়” আৰু
“নহয়” নাছিল। কিন্তু খ্ৰীষ্টত সকলো সময়তেই “হয়” হয়।
২০ঈশ্বৰৰ সকলো প্ৰতিজ্ঞাসমূহ খ্ৰীষ্টত “হয়” হৈ উঠে।
আৰু তাৰ বাবেই ঈশ্বৰৰ গৌৰৱ কৰিবলৈ আমাৰ খ্ৰীষ্টৰ
যোগেদি “আমেন” কওঁ। ২১যি জনাই তোমালোকক
আৰু আমাকো খ্ৰীষ্টৰ লগত সম্বন্ধত সুদৃঢ় কৰি,অভিষিক্ত
কৰিলে,সেইজনেই একমাত্ৰ ঈশ্বৰ। ২২তেৱেঁই আমাৰ
হৃদয়ত বইনাস্বৰূপে পবিত্ৰ আত্মা দান কৰি আমাক মোহৰ
মাৰিলে।
২৩কিন্তু মই ঈশ্বৰক সাক্ষী কৰি কওঁ, এইটো সঁচা যে
তোমালোকক মই আৰু অধিক শাস্তি দিবলৈ বা আঘাত
দিবলৈ বিচৰা নাই, কাৰণে মই এতিয়া পৰ্যন্ত কৰিন্থয়ালৈ
ঘূৰি যোৱা নাই। ২৪মই তোমালোকৰ বিশ্বাসৰ ওপৰত প্ৰভূত্ব

করিছো এনে নহয়, কিন্তু তোমালোকৰ আনন্দৰ সহকৰ্মী
হৈছো, কিয়নো তোমালোক বিশ্বাসত থিৰে আছা।

২ ১সেয়ে মই মনতে থিৰাং কৰিলো যে মোৰ দ্বিতীয়
পৰিৰ্দশনটো প্ৰথমবাৰৰ দৰে তোমালোকক দুখিত
কৰিবলৈ নহব। ২কাৰণ মই যদি তোমালোকক দুখিত কৰো
তেন্তে মোক কোনে সুখী কৰিব? একমাত্ৰ তোমালোকেই
মোক আনন্দিত কৰিব পাৰা, যিবিলাকক মই বেজাৰ দিলো।
৩মোৰ আনন্দত যেন তোমালোক সকলোৰে আনন্দ হয়,
তোমালোকত এই দৃঢ় প্ৰৰ্ত্যয় কৰি, যিবিলাকৰ পৰা মই
আনন্দ পাবলগীয়া, তেওঁবিলাকৰ পৰা, মই যোৱা কালত
যেন মনত দুখ নাপাওঁ, এই কাৰণে তোমালোকলৈ সেই
কথা লিখিলো। ৪আগতে যেতিয়া মই তোমালোকলৈ
লিখিছিলো,বহু ক্লেশেৰে, হৃদয়ৰ ব্যাকুলতাৰে আৰু অশেষ
চকুলোৰে, লিখিছিলো। মই তোমালোকক দুখ দিবলৈ নহয়,
কিন্তু তোমালোকলৈ মোৰ যি অতি অধিক প্ৰেম আছে,
তাক তোমালোকে জানিবলৈহে লিখিছিলো।

### অন্যায় কৰা জনক ক্ষমা কৰা

৫কিন্তু কোনোৱে যদি দুখ দিলে তেওঁ যে কেৱল মোক
দিছিল এনে নহয়, তোমালোকৰ সকলোকেই তেওঁ কিছু
পৰিমাণৰ দুখ দিছিল।(কিবা নহয় কিবা প্ৰকাৰে হলেও,যিটো
স্বাভাবিকতে সত্য,মই তাক অতিৰঞ্জিত কৰিব বিচৰা নাই)
৬তোমালোকৰ মাজৰ অধিক ভাগ মানুহে মিলি তেনে
মানুহক যি শাস্তি দিলে সেয়াই তেওঁৰ পক্ষে যথেষ্ট। ৭কিন্তু
অন্যহাতে এতিয়া তোমালোকে তেওঁক ক্ষমা কৰা আৰু
শান্তনা দিয়া উচিত। তাকে নকৰিলে তেওঁ হয়তো মনৰ
দুখত ভাগি পৰিব। ৮সেয়ে মই তোমালোকক অনুৰুধ
কৰিছোঁ, তোমালোকে যে তেওঁক এতিয়াও প্ৰেম কৰা
ইয়াক তেওঁক বুজিবলৈ দিয়া। ৯তোমালোকে সকলো
বিষয়ত আজ্ঞাধীন হোৱা নে নোহোৱা তাক পৰীক্ষা কৰি
চাবৰ কাৰণেও মই তোমালোকলৈ লিখিছো। ১০যদি
তোমালোকে কাৰোবাক ক্ষমা কৰা, তেন্তে ময়ো তেওঁক
ক্ষমা কৰো। আৰু মই যি ক্ষমা কৰিলো বা যদি কিবা ক্ষমা
কৰিব লগীয়াও থাকে তেন্তে সেই ক্ষমা মই খ্ৰীষ্টৰ সাক্ষাতে
তোমালোকৰ নিমিত্তেই কৰিলো। ১১যাতে চয়তানে
আমাৰ পৰা একোতেই জয় পাব নোৱাৰে, কিয়নো তাৰ
পৰিকল্পনাবিলাক কি খুউব ভালকৈ আমাৰ জনা আছে।

### ক্লেশৰ মাজত ঈশ্বৰে আমাক জয় দিয়ে

১২মই যেতিয়া খ্ৰীষ্টৰ শুভৱাৰ্তা ঘোষনা কৰিবলৈ ত্ৰোৱাত
উপস্থিত হৈছিলো, তেতিয়া তাত প্ৰভুৱে মোক কৰ্ম্মৰ বাবে
নতুন দুৱাৰ মুকলি কৰি দিছিল। ১৩কিন্তু তাত মই মোৰ
ভাই তীতক নোপোৱাৰ কাৰণে মনত শান্তি নাপায়; মই
তেওঁলোকৰ পৰা বিদায় লৈ মাকিদনিয়াৰ উদ্দেশ্যে ৰাওনা
হলো।
১৪কিন্তু ধন্য ঈশ্বৰ, কিয়নো তেওঁ খ্ৰীষ্টৰ দ্বাৰায় সদায়
আমাক বিজয়ৰ পথত চলায়। ঈশ্বৰে আমাক তেওঁৰ সম্বন্ধে
জ্ঞান সকলো ঠাইতে বিস্তাৰ কৰিবলৈ সুগন্ধি ধুপৰ দৰে
ব্যৱহাৰ কৰে। ১৫যিবিলাক পৰিত্ৰাণপ্ৰাপ্ত আৰু যিবিলাক
বিনাশৰ পাত্ৰ তেওঁলোকৰ মাজত আমি ঈশ্বৰৰ উদ্দেশ্যে
খ্ৰীষ্টৰ সুগন্ধি ধূপস্বৰূপ। ১৬যিবিলাক পতিত তেওঁলোকলৈ
এই গোন্ধ মৃত্যুদায়ক ; কিন্তু যিবিলাক পৰিত্ৰাণপ্ৰাপ্ত
তেওঁলোকলৈ এই গোন্ধ জীৱনদায়ক ; গতিকে কোনে
এনেধৰণৰ কৰ্ম্ম কৰাৰ উপযুক্ত? ১৭ঈশ্বৰৰ বাক্য নিজৰ
লাভৰ বাবে, ভাঁজ লগাই মিহলি কৰি বেচোঁতা বিলাকৰ
দৰে মই নহও।মই ঈশ্বৰৰ ওচৰত ঈশ্বৰৰ পৰা পঠোৱা ব্যক্তি
সমান খ্ৰীষ্টত স্থিৰ হৈ, সত্যৰে সৈতে কওঁ।

### ঈশ্বৰৰ সেৱাত নতুন নিয়ম

৩ ১এইবোৰ কথা কৈ নিজৰ বিষয়ে প্ৰশংসা
কৰিবলৈ আৰম্ভ কৰিলো নে? বা আন মানুহৰ দৰে
তোমালোকৰ পৰা কোনো পৰিচয় পত্ৰ লৈ যোৱাৰ আমাৰো
প্ৰয়োজন আছে নে কি? ২নহয়, তোমালোকেই আমাৰ
পৰিচয় পত্ৰ, যি আমাৰ হৃদয়ত লিখা আছে, যি সকলো
মানুহে পঢ়িব আৰু জানিব পাৰে। ৩তোমালোকেই আমাৰ
দ্বাৰায় সম্পাদিত হোৱা খ্ৰীষ্টৰ পত্ৰস্বৰুপে প্ৰকাশিত হৈছা।
তাক চিঁয়াহিৰে লিখা নহয়, কিন্তু জীৱনময় ঈশ্বৰৰ আত্মাৰ
দ্বাৰায় লিখা; শিলৰ [a] ফলিতো লিখা নহয়, কিন্তু মানুহৰ
হৃদয়ৰুপ ফলিত লিখা হল।
৪ঈশ্বৰৰ প্ৰতি এনে দৃঢ় প্ৰত্যয় এতিয়া আমি খ্ৰীষ্টৰ দ্বাৰাই
পালো। ৫কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে, আমাৰ নিজৰ
মঙ্গলৰ কাম কৰিবৰ বাবে আমি নিজ গুণৰেই যোগ্য, আমি
যি সকলো কৰো সেই আটায় সমৰ্থতা ঈশ্বৰৰ পৰাহে হয়।
৬তেৱেঁই আমাক নতুন- চুক্তিৰ পৰিচাৰক হবলৈ যোগ্য
কৰিলে। এই নিয়ম কোনো লিখিত ব্যৱস্থা নহয় কিন্তু আত্মাৰ
ব্যৱস্থা, কিয়নো লিখিত বিধানে মৃত্যু লৈ আহে কিন্তু আত্মাই
জীৱন দান কৰে।

### নতুন চুক্তিৰ গৌৰবময় মহততা

৭ঈশ্বৰৰ মহিমাৰ সৈতে শিলৰ ওপৰত লিখা যি পুৰনি
ব্যৱস্থা, যাৰ দ্বাৰা মৃত্যু আহিছিল। সঁচাকৈ ঈশ্বৰৰ গৌৰৱময়
মহিমাৰে মোচিৰ মুখমণ্ডল ইমানেই উজ্জল হৈছিল যে
ইস্ৰায়েলৰ মানুবিলাকে তেওঁৰ মুখলৈ চাব নোৱাৰা হৈছিল
৮গতিকে সেয়ে যদি হয় তেনেহলে যি নতুন নিয়ম
জীৱনদায়ক আত্মাৰ পৰা আহিছে অনেক অধিক মহিমাময়
নহবনে? ৯আৰু যদি দোষী কৰোঁতা পৰিচৰ্য্যা যদি ইমান
শক্তিশালী তেন্তে ধাৰ্মিকতাৰ পৰিচৰ্য্যা কিমান অধিক
শক্তিশালী হব। ১০নতুন বিধান-ব্যৱস্থাৰ মহিমাৰ তুলনাত
পুৰনি বিধান-ব্যৱস্থাৰ মহিমা কমি যায়। ১১মহিমাৰে অহা যি
ব্যৱস্থা অলপ দিনৰ ভিতৰত লুপ্ত হল, তেন্তে অনন্তকলীয়া
যি নতুন ব্যৱস্থাৰ কিমান অধিক গৌৰৱময় মহিমা!
১২আমাৰ এই ধৰণৰ আশাৰ পূৰ্ন নিশ্চয়তা থকাৰ কাৰণে

[a] **৩:৩ শিল** এখন ঈশ্বৰ মোচি যি বিধান-ব্যৱস্থা দিছিল, তাক শিল ওপৰ লিখা হৈছিল। যাত্ৰা ২৪:১২, ২৫:১৬

আমি প্ৰকাশকৈ সাহেৰে কব পাৰো। ১৩আমি মোচিৰ দৰে নহওঁ, ইস্ৰায়েলৰ সন্তানবিলাকে সেই লুপ্ত হৈ যোৱাটোৰ শেষ যেন একে থৰে চাবলৈ নাপায়, এই কাৰণে মোচিয়ে যেনেকৈ তেওঁৰ মুখ ঢাকি ৰাখিলে। ১৪তেওঁলোকৰ মন কঠিন আছিল, গতিকে আজিও যেতিয়া পুৰনি ব্যৱস্থা পুস্তক পঢ়া হয়,তেতিয়া সেই একেই ধৰণৰ ওৰনিৰ ঢাকনিয়ে আজিলৈকে ঢাকি থকাৰ কাৰণে অৰ্থ প্ৰকাশ হোৱা নাই। তেওঁলোকৰ বাবে ওৰনিস্বৰূপ সেই ঢাকনি আঁতৰাই দিয়া হোৱা নাই।একমাত্ৰ খ্ৰীষ্টৰ দ্বাৰায়হে ইয়াক গুচুউৱা হল। ১৫হয়, আনকি আজিলৈকে মোচিৰ বিধান-ব্যৱস্থাৰ পুস্তক পঢ়োতে তেওঁলোকৰ হূদয়ত ওপৰত ওৰনিস্বৰূপ ঢাকনি আছে। ১৬কিন্তু যেতিয়া কোনোৱে প্ৰভুলৈ মন পালটন কৰি তেওঁক অনুকৰণ কৰে তেতিয়া সেই ওৰনি গুচুউৱা হয়। ১৭এতিয়া, প্ৰভুৱেই আত্মা, আৰু প্ৰভুৰ আত্মা যি ঠাইত থাকে তাতেই স্বাধীনতা। ১৮আৰু আমি সকলোৱে, ওৰনি নোলোৱা মুখেৰে দৰ্পনত দেখাৰ দৰে প্ৰভুৰ মহিমা চাওঁতে চাওঁতে সেই মহিমাৰ পৰা মহিমা পায় আমিও বৃদ্ধি পায় গৈছো। সেই শক্তি প্ৰভুৰ পৰা প্ৰাপ্ত হৈছো। তেৱেঁই আত্মা হয়।

## মাটিৰ পাত্ৰত আত্মিক ধন

৪ ১ঈশ্বৰে তেওঁৰ দয়াৰে আমাক যি কাৰ্য্যৰ ভাৰ দিছে, আমি যেন কেতিয়াও নিৰুৎসাহ নহওঁ; ২কিন্তু আমি লজ্জাজনক আৰু গুপুত কাৰ্য্যবিলাক ত্যাগ কৰিলো। চতুৰালী আচৰনেৰে কাকো প্ৰৱঞ্চনা নকৰাকৈ, আৰু ঈশ্বৰৰ বাক্যত অকনো ভাঁজ নিদিয়াকৈ; ঈশ্বৰৰ সত্যতাক স্পষ্টকৈ প্ৰকাশ কৰো।এইদৰেই আমি মানুহৰ আগত আমাৰ সাক্ষ্য প্ৰকাশ কৰো যাতে তেওঁলোকৰ বিবেকত ঈশ্বৰৰ সাক্ষাতে আমাৰ পৰিচয় স্পষ্ট হয়। ৩কিন্তু আমি কোৱা শুভবাৰ্তা যদি গুপুতে ৰখা হয়, তেন্তে কেৱল বিনাশৰপাত্ৰ হোৱাবিলাকলৈহে গুপুতে ৰখা হয়। ৪এই কালৰ দেৱতাই অবিশ্বাসীসকলৰ মন অন্ধ কৰিলে, যাতে তেওঁলোকে খ্ৰীষ্টৰ স্বৰ্গীয় গৌৰৱময় শুভবাৰ্তাৰ পোহৰ দেখা নাপায়, খ্ৰীষ্ট যি জন স্বয়ং ঈশ্বৰসাদৃশ্য। ৫আমি নিজকে প্ৰচাৰ নকৰো, কিন্তু যীচুৰ নিমিত্তে তোমালোকৰ সেৱকস্বৰূপে আৰু যীচু খ্ৰীষ্টক প্ৰভু বুলি প্ৰচাৰ কৰিছোঁ। ৬কিয়নো যি ঈশ্বৰে কৈছিল, "আন্ধাৰৰ মাজত পোহৰ প্ৰকাশ হব!" তেৱেঁই আমাৰ অন্তৰত প্ৰকাশিত হৈ ঈশ্বৰৰ গৌৰৱময় জ্ঞানৰ বিষয়ে জানিবলৈ পোহৰ দিছিল, তেওঁৰ সেই পোহৰ খ্ৰীষ্টৰ মূখত প্ৰকাশিত হল।

৭কিন্তু পৰাক্ৰমৰ শক্তি যেন আমাৰ পৰা নহৈ ঈশ্বৰৰ হয়, এই কাৰণে মাটিৰ পাত্ৰ যি আমি, অৰ্থাৎ এই যি শৰীৰ ধাৰণ কৰিছোঁ আমাত সেই দীপ্তিৰূপ ধন আছে। ৮আমাৰ চাৰিওফালে ক্লেশে আৱৰি ধৰিছে, কিন্তু আমি পৰাজিত নহওঁ, আমি বিমোৰত পৰিছো, কিন্তু হতাশাত ভাগি পৰা নাই। ৯আমি তাড়না পাইছো কিন্তু ঈশ্বৰে আমাক ত্যাগ কৰা নাই। আমাক আঘাত কৰি শাস্তি দিয়া হৈছে কিন্তু আমি বিনষ্ট হোৱা নাই। ১০আমি নিত্য যীচুৰ মৃত্যু আমাৰ শৰীৰত অনুভৱ কৰি আছো, যাতে ইয়াৰ দ্বাৰায় যীচুৰ জীৱনো আমাৰ শৰীৰত প্ৰকাশ পাব পাৰে। ১১আমি যিসকল জীবিত আছোঁ আমাক সদায়েই যীচুৰ কাৰণে মৃত্যুৰ হাতত শোধাই দিয়া হৈছে, যাতে আমাৰ এই মৰ্ত্যশৰীৰত যীচুৰ জীৱন প্ৰকাশিত হয়। ১২ফলস্বৰূপে মৃত্যুৱে এইদৰে আমাৰ মাজত কাৰ্য্য কৰি আছে আৰু জীৱনে তোমালোকত কাৰ্য্য সাধন কৰি আছে।

১৩কিন্তু শাস্ত্ৰত যেনেকৈ লিখা আছে "মই বিশ্বাস কৰিলো সেই বাবে কথা কৈছিলো" একেদৰে তেনেকৈ আমিও বিশ্বাস কৰিছো,এই হেতুকে কথা কৈছো। ১৪কিয়নো আমি জানো, ঈশ্বৰে প্ৰভু যীচুক মৃত্যুৰ পৰা তুলিলে, তেওঁৱেই যীচুৰ লগত আমাকো জীৱিত কৰি তোমালোকৰ সৈত্যে আমাক তেওঁৰ উপস্থিতিত থিয় কৰিব। ১৫এই সকলো ঘটনা তোমালোকৰ কাৰণেই হৈছে। আৰু ফলস্বৰূপে অনেকে যেন ঈশ্বৰৰ অনুগ্ৰহ বাহুল্যৰূপে পায় ঈশ্বৰৰ গৌৰৱৰ অৰ্থে ধন্যবাদ উপচি পৰে।

## বিশ্বাসেৰে জীৱনযাপন কৰা

১৬এই কাৰণে আমি নিৰুৎসাহ নহওঁ। আমাৰ পাৰ্থিৱ শৰীৰ যদিও দূৰ্বল আৰু নষ্ট হৈ গৈছে, তথাপিও আমাৰ আন্তৰিক পুৰুষক দিনে দিনে নতুন কৰা হৈছে। ১৭এতিয়া পাই থকা যাতনাই আমাৰ জীৱনলৈ আহিবলগীয়া অনন্তকলীয়া মহিমাৰ লাভ।আৰু সেই গৌৰৱ এই যাতনাৰে তুলনা নহয় ১৮গতিকে আমি দৃশ্য বস্তুলৈ নাচাই যি অদৃশ্য তালৈ লক্ষ্য কৰিছো। কাৰণ দৃশ্য বিষয় খন্তেকীয়া আৰু যি অদৃশ্য সি অনন্তকলীয়া।

৫ ১কিয়নো আমি জানো যে, আমাৰ পাৰ্থিৱ শৰীৰ যি তম্বুস্বৰূপ ঘৰত আমি এই পৃথিৱীত নিবাস কৰো বিনষ্ট হব। কিন্তু তেতিয়া আমি বাস কৰিবলৈ মানুহৰ হাতে ইয়াত সজা ঘৰৰ দৰে নহয়, ঈশ্বৰৰ পৰা হোৱা এক অনন্তকলীয়া ঘৰ স্বৰ্গত আছে। ২কাৰণ এতিয়া আমি এই শৰীৰক লৈ কেঁকাই থকাত, আমাৰ যি স্বৰ্গীয় ঘৰস্বৰূপ বস্ত্ৰৰে, আমি ঢকা হবলৈ বৰকৈ কামনা কৰিছোঁ। ৩কিয়নো আমাৰ বিশ্বাস এই বস্ত্ৰ পৰিধান কৰাৰ পাছত আমি বিৱস্ত্ৰ হৈ নপৰিম। ৪বাস্তবিকতে আমাৰ এই তম্বুস্বৰূপ শৰীৰত থাকি গধুৰ ভাৰত ভাৰগ্ৰস্থ হৈ কেঁকাই আছো।কাৰণ আমাৰ পাৰ্থিৱ শৰীৰ ত্যাগ কৰাৰ ইচ্ছা আমাৰ নাই; কিন্তু জীৱনৰ দ্বাৰায় যেন মৰণশীলতাক গিলি পেলোৱা হয় তাৰ কাৰণে সেই নতুন (স্বৰ্গীয় শৰীৰ) বস্ত্ৰৰে ঢকা হবলৈ ইচ্ছা কৰিছো। ৫এই উদ্দেশে ঈশ্বৰে আমাক তেওঁৰ নিজৰ কাৰণে প্ৰস্তুত কৰিলে। আৰু তেৱেঁই আহিবলগীয়া জীৱনৰ নিশ্চয়তা দি আগধন স্বৰূপে আমাক পবিত্ৰ আত্মা দান কৰিলে।

৬সেইকাৰণে আমি সদায় সাহিয়াল হৈ আছো ; আমি জানো যে যিমানদিন এই শৰীৰত নিবাস কৰিম, সিমানদিন আমাৰ প্ৰভুৰ পৰা দূৰত থাকিম। ৭যিহেতু আমি বিশ্বাসৰ দ্বাৰায় চলিছো, বাহ্যিক দৃষ্টিৰ দ্বাৰা নহয়। ৮সেয়েহে মই

নিশ্চিতভাৱে কব পাৰো যে প্ৰকৃততেই আমাৰ এই শৰীৰ
ত্যাগ কৰি, প্ৰভুৰ সৈতে নিবাস কৰিব বিচাৰো। ৯গতিকে
তেতিয়াহে, আমাৰ এই শৰীৰত ইয়াত জীৱিত থকাই
হওক বা তাত তেওঁৰ সহিতে থকা হওক, তেওঁক সদায়
সন্তুষ্ট কৰাই আমাৰ জীৱনৰ একমাত্ৰ লক্ষ্য হয়। ১০কিয়নো
আমি সকলোৱে খ্ৰীষ্টৰ সোধবিচাৰৰ আসনৰ আগত থিয়
হব লাগিব; আৰু প্ৰতিজনেই এই মৰ্ত্যশৰীৰত নিবাস কৰা
সময়ত কৰা ভাল বা মন্দ কৰ্মৰ অনুসাৰে উপযুক্ত প্ৰতিদান
প্ৰত্যেকেই পাব।

### ঈশ্বৰৰ লগত বন্ধুত্ব স্থাপন

১১গতিকে প্ৰভুৰ ভয় কি, তাক আমি জনাৰ কাৰণে
প্ৰত্যেক মানুহক প্ৰত্যয় নিয়াবলৈ যত্ন কৰিছো যাতে
তেওঁলোকে আমাৰ কথা বিশ্বাস কৰি সত্যতাক গ্ৰহন
কৰে। ঈশ্বৰে আমাৰ অন্তৰৰ কথা জানে; আৰু মই আশা
কৰো তোমালোকেও আমাৰ অন্তৰৰ কথা জানা। ১২আমি
আকৌ তোমালোকৰ ওচৰত নিজকে যোগ্য পাত্ৰ দেখুৱাই
সাক্ষ্য দিবলৈ ইচ্ছা নকৰো, কিন্তু আমাৰ বাবে গৰ্ব কৰাৰ
সুযোগ তোমালোকক দিছোঁ; যিবিলাকে কোনো ব্যক্তিৰ
হৃদয় বিবেচনা নকৰাকৈ বাহ্যিক বিষয়বিলাক লৈ গৰ্ব কৰে,
এই লোকসমূহক যাতে তোমালোকে উচিত উত্তৰ দিব
পাৰা। ১৩কিয়নো আমি যদি হতবুদ্ধি হওঁ তেন্তে সেয়ে
ঈশ্বৰৰ বাবেই হওঁ আৰু যদি আমি সুদুদ্ধি হওঁ তেন্তে
সেয়ে তোমালোকৰ বাবে। ১৪কাৰণ খ্ৰীষ্টৰ প্ৰেমে আমাক
নিয়ন্ত্ৰিত কৰি ৰাখিছে, কিয়নো আমি নিশ্চিতভাৱে বুজিছো
যে তেওঁ (খ্ৰীষ্ট) সকলোৰে বাবে মৃত্যু বৰণ কৰিলে, তাতে
সকলোৰে মৃত্যু হল। ১৫খ্ৰীষ্ট সকলোৰে বাবে মৃত্যু বৰণ
কৰিলে। সেয়ে যিবিলাকে জীৱন পালে, তেওঁলোকে যেন
নিজৰ উদ্দেশ্য নহয়, কিন্তু যিজন তেওঁলোকৰ বাবে মৃত্যু
বৰণ কৰিলে আৰু পুনৰুত্থান হল, তেওঁৰ উদ্দেশ্যে যাতে
জীৱনযাপন কৰে।

১৬এই হেতুকে এতিয়াৰে পৰা আমি মাংস অনুসাৰে
কাকো নাজানো, আৰু যদিও আগেয়ে খ্ৰীষ্টক মাংস
অনুসাৰে জানিলেও, এতিয়াৰ পৰা কিন্তু আৰু নাজানো।
১৭এতেকে কোনোৱে যদি খ্ৰীষ্টত আছে, তেন্তে তেওঁ নতুন
সৃষ্টি, পুৰনি বিলাক লুপ্ত হৈ যায়; চোৱা, সকলো এতিয়া
নতুন হৈ আহিল। ১৮এই সকলো ঈশ্বৰৰ পৰা, খ্ৰীষ্টৰ দ্বাৰাই
ঈশ্বৰৰ সৈতে আমাৰ শান্তি স্থাপন কৰিলে আৰু সেই
মিলনৰ পৰিচৰ্য্যা পদ আমাত সমৰ্পন কৰিলে। ১৯আন
কথাত,তেওঁৰ বিৰুদ্ধে কৰা পাপৰ কাৰণে দোষী সাব্যস্থ
নকৰাকৈয়ে, ঈশ্বৰে খ্ৰীষ্টৰ দ্বাৰাই নিজৰ সৈতে জগতৰ
লগত পুনৰায় তেওঁৰ মিলনৰ কাৰ্য্য সম্পাদন কৰিলে। আৰু
সেই মিলনৰ বাৰ্ত্তা সকলো লোকক জনাবলৈ আমাক ভাৰ
দিলে। ২০গতিকে ঈশ্বৰে আমাক ৰাজদুত পাতি, ঈশ্বৰে
আমাৰ যোগেগি আহবান কৰাৰ দৰে, খ্ৰীষ্টৰ হকে ৰাজদূতৰ
কৰ্ম কৰিছো,খ্ৰীষ্টৰ হৈ তোমালোকক এই বিনয় কৰো,
তোমালোকে ঈশ্বৰে সৈত্যে মিল হোৱা। ২১খ্ৰীষ্টই কোনো
পাপ কৰা নাই; কিন্তু ঈশ্বৰে খ্ৰীষ্টক আমাৰ সকলো পাপৰ
কাৰণে দোষী কৰিলে, যাতে খ্ৰীষ্টত ঈশ্বৰৰ লগত আমাৰ
ধাৰ্মিকতা স্থাপন হয়।

৬
১ঈশ্বৰৰ সহকৰ্মী স্বৰুপে আমি তোমালোকক অনুৰুধ
কৰিছোঁ, তোমালোকে ঈশ্বৰৰ যি অনুগ্ৰহ লাভ
কৰিলা তাক যেন ব্যৰ্থ হব নিদিয়া। ২কিয়নো ঈশ্বৰে কৈছে,

> “মই উপযুক্ত সময়ত তোমালোকৰ প্ৰাৰ্থনা শুনিলো
> আৰু পৰিত্ৰাণৰ দিনা মই তোমালোকৰ সহায়
> কৰিলো।” *যিচয়া ৪৯:৮*

মই যি কওঁ শুনা, সেই “উপযুক্ত সময়” এতিয়াই।
“পৰিত্ৰাণৰ দিন”এতিয়াই।

৩আমাৰ পৰ্ৰিচয্যাত কোনোৱে যেন আমাক নিন্দা
কৰিব নোৱাৰে,যাতে আমাৰ কোনো কৰ্ম্মৰ দ্বাৰা কাৰো
যেন বিঘিনি নহয় তাৰ কাৰণে চেষ্টা কৰো। ৪কিন্তু আমাৰ
সকলো বিষয়তে নিজকে ঈশ্বৰৰ সেৱক বুলি সাক্ষ্য
দিওঁ। আমি অশেষ ধৈৰ্য্যৰে সকলো তাড়না, দুঃখ-
কষ্ট,বিপদ-আপদ,আনকি সকলো ধৰণৰ সমস্যা সহন
কৰিলো। ৫আমাক কোবাই, কাৰাগাৰত বন্দী কৰা হৈছে,
মানুহবিলাক আমাৰ প্ৰতি অসন্তুষ্ট হৈ আমাৰ বিৰুদ্ধে থিয়
হৈছে। কঠোৰ পৰিশ্ৰম কৰিও কতিয়াবা অনাহাৰে টোপনি
নোহোৱাকৈয়ো আছো। ৬তথাপিও আমি আমাৰ জীৱনৰ
পবিত্ৰতাৰ দ্বাৰা, জ্ঞান আৰু ধৈৰ্য্য সহকাৰে, দয়া-কৰুণাৰে,
পবিত্ৰ আত্মাৰ দ্বাৰায় আমাৰ অকপট প্ৰেম প্ৰকাশ কৰিছো,
৭সত্য বাক্যৰ প্ৰচাৰ আৰু ঈশ্বৰৰ শক্তিত নিৰ্ভৰ কৰাৰ দ্বাৰা।
এই ধাৰ্মিকতাৰ জীৱনে আমাৰ বিৰুদ্ধে কৰা সকলো ধৰণৰ
অত্যাচাৰৰ পৰা প্ৰতিৰক্ষা কৰিবলৈ আমাক প্ৰস্তুত কৰিছিল।

৮কিছুমানে আমাক সন্মান কৰে,কিন্তু কিছুলোকে আমাক
অপমান কৰে। কিছুলোকে আমাৰ সম্পৰ্কে ভাল কথা কয়,
কিন্তু আনবিলাকে আমাৰ দূৰ্নাম কৰে। কিছুলোকে আমাক
প্ৰৱঞ্চক বুলি কয়, কিন্তু তথাপিও আমি সত্যতাৰে যোগ্যপাত্ৰ
দেখুৱাইছো। ৯কিছুমানে আমাক পাঁচনি বুলি স্বীকাৰ নকৰে,
কিন্তু তথাপি আমাক সকলোৱে জানে। মৰো,মৰো হোৱাৰ
নিচিনা, কিন্তু দেখা আমি জীৱিত আছো। আমাক শাস্তি
দিয়া হৈছে, কিন্তু মাৰি পেলোৱা হোৱা নাই। ১০শোক কৰাৰ
নিচিনা, তথাপিও কিন্তু সদায় আনন্দিত। দৰিদ্ৰৰ নিচিনা,
তথাপি কিন্তু অনেকক বিশ্বাসত ধনবন্ত কৰোতা। একো
নথকাৰ নিচিনা কিন্তু প্ৰকৃততেই আমাৰ সকলো আছে।

১১হে, কৰিন্থিয়াৰ লোকসকল, আমি তোমালোকক এই
সকলোবোৰ কথা অতি স্পষ্টভাৱে আৰু আন্তৰিকতাৰে
জনালো। ১২তোমালোকৰ প্ৰতি আমাৰ প্ৰেম কমি যোৱা
নাই; কিন্তু তোমালোকে তোমালোকৰ প্ৰেম আমালৈ
সংকুচিত কৰি ৰাখিলা। ১৩মই তোমালোকক মোৰ
সন্তানস্বৰুপে কওঁ, আমি যেনেকৈ তোমালোকৰ প্ৰতি
কৰিলো তেনেকৈ তোমালোকেও যাতে আমাৰ প্ৰতি অন্তৰ
মুকলি কৰা উচিত।

### আমি ঈশ্বৰৰ মন্দিৰস্বৰূপ

১৪তোমালোকে বিশ্বাস নকৰা সকলৰ সৈতে অমিল
সহভাগিতা নকৰিবা। কিয়নো ধাৰ্মিকতা আৰু অধৰ্মৰ কি
সম্পৰ্ক। আন্ধাৰ আৰু পোহৰ কি একে ঠাইত থাকিব পাৰে
নে? ১৫খ্ৰীষ্ট আৰু চয়তান মাজত কি একমত হব পাৰে?
অবিশ্বাসীৰ সৈতে বিশ্বাসীৰ লগত মিলা কি একেই বিষয়
হব পাৰে? ১৬ঈশ্বৰৰ মন্দিৰৰ সৈতে মূৰ্তিবিলাকৰ কি সম্পৰ্ক
থাকিব পাৰে? কিয়নো আমি হলে জীৱনময় ঈশ্বৰৰ মন্দিৰ;
যেনেকৈ ঈশ্বৰে কৈছিল:

“মই তেওঁলোকৰ মাজত নিবাস কৰিম
আৰু তেওঁলোকৰ মাজত অহা যোৱা কৰিম;
মই তেওঁলোকৰ ঈশ্বৰ হম
আৰু তেওঁলোক মোৰ মানুহ হব।”

*লেবীয়া পুস্তক ২৬:১১–১২*

১৭ সেয়ে প্ৰভুৱে কলে, “তোমালোকে তেওঁলোকৰ
মাজৰ পৰা ওলাই আহাঁ,
তেওঁলোকৰ পৰা তুমি নিজকে পৃথক কৰা
আৰু কোনো অশুচি বস্তুকে স্পৰ্শ নকৰিবা,
তেন্তে মই তোমালোকক গ্ৰহণ কৰিম।”

*যিচয়া ৫২:১১*

১৮ “মই তোমালোকৰ পিতৃ হম
আৰু তোমালোকো মোৰ পো আৰু জী হবা।”
এই কথা সৰ্ব্বশক্তিমান প্ৰভুৱে কলে।

*২ চামূৱেল ৭:৮, ১৪*

৭ ১প্ৰিয় বন্ধুসকল, ঈশ্বৰৰ এই সকলো প্ৰতিজ্ঞা যেতিয়া
আমাৰ লগত আছে, তেন্তে,আঁহা আমি আমাৰ শৰীৰ
বা আত্মাক অশুচি কৰা সকলো বিলাকৰ পৰা সম্পূৰ্ণ মুক্ত
হৈ নিজকে পবিত্ৰ কৰোঁহঁক। এইদৰে ঈশ্বৰৰ প্ৰতি সন্মান
ভক্তি কৰাৰ দ্বাৰায় পবিত্ৰতাৰ সিদ্ধতা সাধন কৰিবলৈ যত্ন
কৰোঁহঁক।

### পৌলৰ আনন্দ

২তোমালোকৰ হৃদয়ত আমাক ঠাই দিয়া। আমি কাৰো ক্ষতি
কৰা নাই, কোনো এজনকো নষ্ট কৰা নাই, আৰু কাকো
ঠগোৱা নাই। ৩মই তোমালোকক দোষী কৰিবলৈ এই কথা
কৈছো এনে নহয়; মই তোমালোকক আগতেই কৈছো যে,
আমাৰ তোমালোকৰ প্ৰতি ইমানেই প্ৰেম যে, আমাৰ জীৱন-
মৰণ তোমালোকৰ সৈতে একেলগে হব। ৪তোমালোকৰ
ওপৰত মোৰ এনে দৃঢ়প্ৰত্যয় আছে বাবেই, তোমালোকক
সকলো কথা কব পাৰো আৰু তোমালোকৰ অৰ্থে মই
গৌৰৱ কৰো। আনকি আমাৰ সকলো ক্লেশ-যাতনাৰ সময়ত
তোমালোকৰ পৰা মই যথেষ্ট উৎসাহ-শান্তনা পাইছো,আৰু
সেয়ে মোৰ মনত আনন্দত উপচি পৰিছে।

৫আনকি যেতিয়া আমি মাকিদনীয়ালৈ আহিছিলো,
তেতিয়ালৈকে আমাৰ মাংসিকভাবে তেনে কোনো শান্তি
নাছিল। কিয়নো আমাৰ চাৰিওফালৰ পৰা তাড়না আহি
আছিল, বাহিৰৰ পৰা বিৰোদ্ধিতা আৰু ভিতৰত মনত
ভয় আছিল। ৬তথাপি যি জন ঈশ্বৰে ভগ্নচিত্তিয়াসকলৰ
প্ৰাণত শান্তনা দিওঁতা, তেওঁ তীতক আমাৰ ওচৰলৈ পঠাই
আমাক শান্তনা দিলে। ৭কেৱল তীতৰ অহাৰ বাবেই নহয়,
তোমালোকে তেওঁক যি শান্তনা দিলা তাৰ কাৰণে। তেওঁ
আমাক জনালে যে আমাক দেখা কৰিবৰ বাবে তোমালোকে
কিমান গভীৰ ইচ্ছা ৰাখিছা। আৰু তোমালোকে যি যি
কৰিলা তাৰ বাবে তোমালোকে কিমান দুখ আৰু মোৰ
বাবে তোমালোকে কিমান চিন্তা কৰিছা তীতৰ পৰা এই
সকলোবোৰ জানি মই আৰু আনন্দিত হৈছো।

৮কিয়নো যদিও মোৰ সেই পত্ৰৰ দ্বাৰায় তোমালোকক
দুখিত কৰোৱাত, খেদ কৰিছিলো, তথাপি এতিয়া খেদ
নকৰো কিয়নো দেখিবলৈ পাইছো যে, সেই পত্ৰই
কিছুসময়ৰ কাৰণেহে মাত্ৰ তোমালোকক দুখ জন্মাইছিল
৯তোমালোক দুখিত হোৱাৰ নিমিত্তে নহয়, কিন্তু দুখিত
হোৱাৰ দ্বাৰায় যে তোমালোকৰ অনুতাপ আৰু মন পৰিবৰ্তন
হল তাৰ নিমিত্তেহে এতিয়া আনন্দ কৰিছো,কিয়নো
আমাৰ দ্বাৰায় তোমালোকৰ যেন একো হানি নহয় তাৰ
নিমিত্তে তোমালোক ঈশ্বৰৰ ইচ্ছাৰ দৰে দুখিত হৈছিলা
১০কিয়নো ঐশ্বৰিক মনোদুখেৰে সৃষ্টি হোৱা অনুতাপে
জীৱন পৰিবৰ্তন কৰি পৰিত্ৰাণলৈ আনে। কিন্তু এই জগতে
দিয়া মনোদুঃখে মানুহৰ মৃত্যু সাধন কৰে। ১১কিয়নো চোৱা,
ঈশ্বৰৰ ইচ্ছানুসাৰে হোৱা মনোদুখেই তোমালোকৰ কিমান
মঙ্গল কৰিলে, তোমালোকৰ মনত কেনে যত্ন, কেনে দোষ-
খন্ডন,কেনে বিৰক্তি, কেনে ভয়, কেনে হাবিয়াহ, কেনে
গভীৰ উৎসাহ, কেনে প্ৰতিকাৰ সাধন কৰিলে।সেই সকলো
বিষয়তেই তোমালোকে সকলো প্ৰকাৰে নিজকে নিৰ্দ্দোষী
প্ৰমান কৰিলা। ১২যদিও মই তোমালোকলৈ লিখিছিলো,
কিন্তু যি অন্যায় কৰিলে বা যাৰ ওপৰত অন্যায় কৰা হৈছে
তেওঁলোকৰ বাবে নহয়, কিন্তু যাতে ঈশ্বৰৰ দেখাত আমাৰ
প্ৰতি তোমালোকৰ যি যত্ন আছে সেয়া যেন প্ৰকাশিত হয়
আৰু তোমালোকে জানিব পাৰা। ১৩আৰু এইবোৰ বিষয়েই
আমাৰ বাবে অতি উৎসাহজনক।

আমাৰ সেই উৎসাহৰ ওপৰত তীতৰ আনন্দই আমাক
আৰু আনন্দিত কৰিলে। কাৰণ তোমালোক সকলোৰে
পৰা তেওঁৰ অন্তৰত নতুন শক্তি লাভ কৰিলে। ১৪কিয়নো
যদি মই তেওঁৰ আগত তোমালোকৰ অৰ্থে কোনো গৰ্ব
কৰিলো, তেন্তে মই লাজত পৰা নাই,কিন্তু যেনেকৈ
আমি তোমালোকৰ আগত সকলো কথা সঁচাকৈ কলো,
তেনেকৈ তীতৰ আগত কৰা আমাৰ গৌৰৱ সঁচাহে হল।
১৫আৰু তোমালোকে সকলোৱে তেওঁৰ আজ্ঞাধীন হৈ,
কেনে ভয় আৰু সন্মান সহিত তেওঁক গ্ৰহণ কৰিছিলা,
তেওঁ সেই সকলো স্মৰণ কৰি তোমালোকৰ প্ৰতি তেওঁৰ
প্ৰেম আৰু বাঢ়ি গল। ১৬এই বাবে মই আনন্দিত কিয়নো

মই এই সকলো বিষয়তে তোমালোকক সম্পূৰ্ণ বিশ্বাসত
লব পাৰিছো।

### দানৰ বিষয়ে

৮ ১এতিয়া ভাই সকল, মাকিদনিয়াৰ মণ্ডলীসমূহৰ
মাজত ঈশ্বৰে অনুগ্ৰহৰ যি কৰ্ম্ম কৰিলে তাক আমি
তোমালোকক জনাওঁ। ২যদিও তেওঁলোক অনেক দুঃখ
কষ্টৰ দ্বাৰায় পৰীক্ষিত হৈছে আৰু যদিও তেওঁলোক
অতি দৰিদ্ৰ, তথাপি তেওঁলোকৰ আনন্দ অধিক হল
আৰু দানশীলতাৰূপ ধনত উপচি পৰিল। ৩কিয়নো মই
সাক্ষ্য দিছো যে, তেওঁবিলাকে সমৰ্থ অনুসাৰে, এনে
কি সমৰ্থতাৰ অতিৰিক্ত পৰিমানেও স্বত-ফূৰ্তভাবে নিজ
ইচ্ছাৰে দান কৰিলে। ৪ঈশ্বৰৰ লোকসমূহৰ এই সেৱাৰ
কামত অংশগ্ৰহণ কৰিবলৈ তেওঁলোকক যেন সুযোগ দিয়া
হয় তাৰ কাৰণে তেওঁলোকে আমাক বাৰে বাৰে অনুৰুধ
জনাইছিল। ৫তেওঁলোকে কেৱল আমাৰ আশাৰ দৰে দিলে
এনে নহয়। বৰং তেওঁলোকে দান দিয়াৰ আগতেই নিজকে
ঈশ্বৰৰ ইচ্ছাৰে প্ৰথমে প্ৰভুৰ উদ্দেশে আৰু পাছত আমাৰ
উদ্দেশে দান কৰিলে।

৬তীতে যেনেকৈ আগেয়ে এই যি কৰ্ম্ম আৰম্ভ কৰিছিল,
সেই উদাৰতাৰ পূণ্য কৰ্ম্ম তোমালোকে শেষ কৰাত সহায়
কৰিবলৈ তীতক অনুৰুধ জনালো। ৭কিন্তু তোমালোকে,
বিশ্বাসত, বাক্যত, জ্ঞানত,আনক সহায় কৰা কথাত, আৰু
আমাৰ পৰা যি প্ৰেম শিকিলা এই সকলোবিলাকত যেনেকৈ
তোমালোকৰ বৃদ্ধি হৈছে, ঠিক সেই একেদৰে দান দিয়াৰ
অনুগ্ৰহতো যাতে তোমালোকে বৃদ্ধি পাই থাকা।

৮এইটো মই আজ্ঞা দিছো এনে নহয়, কিন্তু আনবিলাকৰ
তুলনাত তোমালোকৰ প্ৰেম যথাৰ্থ হয় নে নহয় তাৰ
পৰীক্ষাহে কৰিছোঁ। ৯কিয়নো তোমালোকে আমাৰ প্ৰভু যীচু
খ্ৰীষ্টৰ অনুগ্ৰহৰ কথা জানা। তেওঁ ধনী হৈয়ো তোমালোকৰ
নিমিত্তে দৰিদ্ৰ হল, যাতে তেওঁৰ দৰিদ্ৰতাৰ দ্বাৰায়
তোমালোকে ধনবন্ত হোৱা।

১০এই বিষয়ে তোমালোকলৈ মোৰ পৰামৰ্শ এই যে,
কিয়নো গত বছৰ তোমালোকেই প্ৰথমে দিবলৈ ইচ্ছা
প্ৰকাশ কৰিছিলা, আৰু তোমালোকেই প্ৰথমে দিছিলা।
১১তোমালোকে অতি আগ্ৰহৰে সৈতে যি দিয়াৰ কৰ্ম্ম
আৰম্ভ কৰিছিলা, এতিয়া তোমালোকে সেই একে
সমৰ্থতাৰে তাক সম্পূৰ্ন কৰা। ১২কিয়নো দিয়াৰ যদি
প্ৰস্তুততা থাকে, তেন্তে ইচ্ছা বা সমৰ্থ নথকাৰ দৰে নহয়,
সমৰ্থ থকাৰ দৰেই গ্ৰহন হয়। ১৩কাৰণ, আনবিলাকলৈ
শান্তি আৰু তোমালোকলৈ ক্লেশ হবলৈ নহয়, আমি
সকলোৰে একে সমান হোৱাটো বিচাৰো। ১৪বৰ্তমানে
তোমালোকৰ উপচি পৰাত, তেওঁলোকৰ প্ৰয়োজন অভাৱ
পূৰ কৰিব পাৰিছা, আকৌ পিচত তেওঁলোকৰ অধিক উপচি
পৰাত তোমালোকৰ যি প্ৰয়োজন সিও পূৰ হব, এইদৰে
প্ৰতিজনৰ প্ৰয়োজন সমানে পূৰ হব। ১৫শাস্ত্ৰত যেনেকৈ
লিখা আছে,

"যি সকলে অধিককৈ গোটাইছিল, তেওঁলোকৰ
জোখতকৈ অতিৰিক্ত নহল;
যি সকলে কমকৈ গোটাইছিল, তেওঁৰ কম কৰা
নহল।"
*যাত্ৰা ১৬:১৮*

### তীত আৰু তেওঁৰ সহকৰ্মী

১৬তোমালোকৰ বাবে মোৰ যি প্ৰেম আছে, ঠিক সেই
একেদৰে ঈশ্বৰে তীতৰ অন্তৰতো দিলে তাৰ কাৰণে মই
ঈশ্বৰক ধন্যবাদ দিওঁ। ১৭তীতে আমাৰ অনুৰোধ ৰক্ষা কৰাই
নহয়, নিজ ইচ্ছাৰে তোমালোকৰ ওচৰলৈ যাবলৈ তেওঁ
অতি আগ্ৰহী আছিল। ১৮আৰু আমি তীতৰ লগত সেই
ভাইজনক পঠাইছো, যি জনক শুভবাৰ্তা প্ৰচাৰ কাৰ্য্যৰ
বাবে সকলো মণ্ডলীতে প্ৰশংসা কৰা হৈছে। ১৯কেৱল
সেয়ে নহয়,আমাৰ সহযাত্ৰী হবলৈ যেনেকৈ আমাৰ সৈতে
উদাৰতাৰ দানৰ পৰিচৰ্য্যাত সহকমী হৈ প্ৰভুৰ গৌৰব আৰু
সহায়ৰ বাবে আমাৰ প্ৰস্তুততাৰ অৰ্থে মণ্ডলীয়ে তেওঁকো
মনোনীত কৰিলে।

২০আমাৰ এই মহাদানৰ পৰ্ৰিচয্যাত আমাক কোনেও
যাতে সমালোচনা কৰিব নোৱাৰে তাৰ বাবে আমি এই
কৰ্ম অতি সৰ্তকতাৰে কৰিছো। ২১কিয়নো কেৱল প্ৰভুৰ
দৃষ্টিতেই নহয়, কিন্তু মানুহৰ দৃষ্টিতো যি উচিত, তাকেই
কৰিবলৈ আমি যত্ন কৰিছো।

২২আৰু যি ভাইক আগতে আমি অনেকবাৰ অনেক
বিষয়ত পৰীক্ষা কৰি উৎসাহী পালো আৰু তোমালোকৰ
প্ৰতি থকা তেওঁৰ যি দৃঢ়বিশ্বাস তাৰবাবে আৰু এতিয়া আৰু
অধিক আগ্ৰহী হৈছে, সেই ভাইকো তেওঁবিলাকৰ লগত
পঠালো।

২৩এতিয়া যদি তীতৰ কথা কবলৈ হয়, তেওঁ মোৰ
সহকৰ্মী আৰু তোমালোকৰ সহায়ৰ কাৰণে তেওঁ মোৰ
সৈতে কাম কৰে। আমাৰ আন ভাইসকলৰ বিষয়ে কবলৈ
হলে, তেওঁলোক মণ্ডলীৰ পৰা পঠোৱা দূতৰ দৰে আৰু
খ্ৰীষ্টৰ পক্ষে গৌৰৱস্বৰূপ। ২৪গতিকে তেওঁলোকৰ প্ৰতি
দেখুউৱা তোমালোকৰ যি প্ৰেমৰ দ্বাৰায় তোমালোকৰ
ওপৰত আমাৰ যি গৰ্ব, যাতে সকলো মণ্ডলীয়ে
তোমালোকৰ সাক্ষ্য স্বৰুপে দেখা পায়।

### দান দিয়াৰ আৰ্শীবাদ

৯ ১এতিয়া ঈশ্বৰৰ লোকসমূহলৈ কৰা এই উপকাৰৰ
বিষয়ে মই তোমালোকৰ লিখাৰ প্ৰয়োজন নাই।
২কিয়নো মই তোমালোকৰ সহায় কৰাৰ ইচ্ছা জানো আৰু
তোমালোকৰ এই সদইচ্ছাৰ কাৰণে মই মাকিদনীয়াত থকা
লোকবিলাকৰ আগত গৰ্ব কৰি কৈ থাকো যে যোৱা বছৰৰ
পৰাই আখায়াৰ লোকসমূহে অৰ্থাৎ তোমালোকে দান
দিবলৈ প্ৰস্তুত হৈ আছা। আৰু তোমালোকৰ এই দান দিয়াৰ
উদ্যোগী মনোভাবে তেওঁলোকৰ অধিক ভাগ মানুহক দান
দিবলৈ উৎসাহিত আৰু প্ৰস্তুত কৰিলে। ৩কিন্তু মই এই
ভাইসকলক পঠাইছো যাতে তোমালোকৰ সম্বন্ধে আমাৰ

যি গৰ্ব সেই গৰ্ব যেন ব্যৰ্থ নহয়, সেই কাৰণে মই যেনেকৈ
তেওঁলোকৰ আগত কৈছিলো তেনেকৈ তোমালোকে
যেন যুগুত হৈ থাকা। ৪সেয়ে নহলে মাকিদনিয়াৰ কিছুমান
মানুহ যদি মোৰ সৈতে আহে আৰু যদি তোমালোকৰ সেই
প্ৰস্তুততা দেখা নাপায়, তেন্তে তোমালোকৰ প্ৰতি থকা
আমাৰ সেই দৃঢ় নিশ্চয়তাৰ বাবে আমি লাজত পৰিম আৰু
তোমালোকেও লজ্জিত হবা। ৫তাৰবাবে মই ভাইসকলক
এই অনুৰোধ কৰিবলৈ প্ৰয়োজন বোধ কৰিলো, যাতে
তেওঁলোকে আগেয়ে তোমালোকৰ ওচৰলৈ যায় আৰু
দান হিচাপে যি অৰ্থ তোমালোকে দিবলৈ অঙ্গীকাৰ কৰিছা,
সেই দান সংগ্ৰহ কৰি আমি অহাৰ আগেয়ে যুগুত ৰাখিবলৈ
সহায় কৰিব পাৰে। সেই দান যাতে আৰ্শীবাদস্বৰূপ হয়,
বলপূৰ্বকভাবে সংগ্ৰহ কৰা লোভৰ ধনৰ দৰে যেন নহয়।
৬আচলতে মূল কথা হল, যি জনে আলপকৈ বয়, তেওঁ
অলপকৈ দাব, আৰু যি জনে অধিককৈ বয়, তেওঁ অধিককৈ
দাব। ৭প্ৰত্যেকেই নিজৰ নিজৰ অন্তৰত যেনেকৈ থিৰ
কৰিলে, সেই দৰেই দান কৰক, মনত দুঃখ পাই অসন্তুষ্ট হৈ
বা বাধ্য কৰোৱা হৈছে বাবে নহয়, কিয়নো হৰ্ষিত মনেৰে
দিয়াজনক ঈশ্বৰে প্ৰেম কৰে। ৮ঈশ্বৰে তোমালোকক
অনুগ্ৰহত উপচাব পাৰে, আৰু সকলো সময়ত তোমালোকৰ
সকলো বিষয়তে সদায় উপচি থাকে, যাতে প্ৰতিটো সৎকৰ্ম্ম
কৰাৰ বাবে তোমালোকে যেন উপচি পৰাকৈ দিব পাৰা।
৯যেনেকৈ শাস্ত্ৰত লিখা আছে:

“তেওঁ নিস্বাৰ্থভাবে দৰিদ্ৰক দান কৰিলে;
তেওঁৰ সেই সৎকৰ্ম চিৰকলীয়া।” *গীতমালা ১১২:৯*

১০এতিয়া ঈশ্বৰেই সিঁচিবলৈ বীজ দিয়ে আৰু ভোজনৰ
বাবে আহাৰ যোগায় থাকে, আৰু তেওঁ তোমালোকৰ
বাবে আত্মিক কঠীয়া দান কৰি সেই বীজ বঢ়ায়।আৰু তেওঁ
তোমালোকৰ ধাৰ্মিকতা বৃদ্ধি কৰি তোমালোকত বহু ফল
উৎপন্ন কৰে। ১১ঈশ্বৰে তোমালোকক সকলো বিষয়তে
বাহুল্যৰূপে ধনবন্ত কৰিব যাতে তোমালোকে সকলো
সময়তে উদাৰতাৰে দান দিব পাৰা। আৰু আমাৰ দ্বাৰাই
তোমালোকৰ সেই দানে ঈশ্বৰলৈ ধন্যবাদ সাধন কৰায়।
১২কাৰণ এই পৰিচৰ্য্যাৰ সেৱাৰে তোমালোকে ঈশ্বৰৰ
লোকসমূহৰ কেৱল প্ৰয়োজন পূৰ কৰাই নহয়, কিন্তু ঈশ্বৰৰ
উদ্দেশ্যে অশেষ ধন্যবাদত উপচি পৰিছে। ১৩তোমালোকৰ
এই কাৰ্য্যই তোমালোকৰ বিশ্বাসৰ প্ৰমান আৰু লোকসমূহে
ইয়াৰ কাৰণে ঈশ্বৰৰ প্ৰশংসা কৰিব। তেওঁলোকে
তোমালোকৰ খ্ৰীষ্টৰ শুভবাৰ্তাৰ ওপৰত থকা বিশ্বাস, আৰু
সঘনাই তোমালোকৰ হাতত যি আছে তাক মুক্তহস্তে
তেওঁলোকলৈ আৰু সকলোৰে সৈতে ভগাই লোৱা বিষয়ৰ
বাবে তেওঁলোকে ঈশ্বৰৰ প্ৰশংসা কৰিব। ১৪তেওঁলোকে
যেতিয়া তোমালোকৰ বাবে প্ৰাৰ্থনা কৰিব তোমালোকৰ
লগত হোৱাৰ হাবিয়াহ কৰিব। তোমালোকৰ ওপৰত ঈশ্বৰে
দিয়া সেই মহান-অনুগ্ৰহৰ কাৰণেই তেওঁলোকে এনে ইচ্ছা
কৰিব। ১৫ঈশ্বৰৰ বৰ্ণনাতীত দানৰ বাবে তেওঁৰ ধন্যবাদ
হওক।

### নিজৰ কৰ্ম্মৰ পক্ষে পৌল

১০ ১মই যি পৌল নিজে খ্ৰীষ্টৰ সাক্ষাতে বিনম্ৰতাৰে
আৰু মৃদুভাৱেৰে তোমালোকক মিনতি
কৰিছোঁ। কিছুলোকে কয়, মই তোমালোকৰ উপস্থিতিত
নম্ৰতাৰে কিন্তু পিছত তোমালোকৰ আঁতৰৰ পৰা চিঠিৰে
সাহেৰে তোমালোকলৈ কথা কওঁ। ২তেওঁলোকে মনত
ভাৱে যে আমাৰ কৰ্মৰ উদ্দেশ্য জাগতিক লোকৰ দৰেই
একেই। যেতিয়া মই আহিম তেতিয়া সেই লোকসমূহৰ
বিৰুদ্ধে অতি সাহেৰে কথা কবলৈ যুগুত হৈ আহিম।কিন্তু
তোমালোকলৈ তেনে ব্যৱহাৰৰ প্ৰয়োজনীয়তা মই বোধ
কৰা নাই। ৩আমি এই জগতত নিবাস কৰো কিন্তু জগতৰ
অনুসাৰে আমি যুদ্ধ নকৰো। ৪কিয়নো আমাৰ যুদ্ধৰ অস্ত্ৰ-
শস্ত্ৰবোৰ মাংসিক নহয়, আমাৰ যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰ হল ঈশ্বৰৰ
শক্তি আনকি শত্ৰুৰ সুদৃঢ় দুৰ্গসমূহ ধংস কৰিবলৈ বলবান।
আমি লোকসমূহৰ যুক্তিৰ তৰ্ক-বিতৰ্ক, ৫আৰু যি গৰ্ব যুক্তি
ঈশ্বৰৰ বিষয়ৰ জ্ঞানৰ বিৰুদ্ধে উত্থাপিত হোৱা ওখ বিষয়
সকলোকে ভাঙি পেলাই, সকলো কল্পনাক বন্দী কৰি, খ্ৰীষ্টৰ
আজ্ঞাধীন কৰিছো। ৬যেতিয়া তোমালোকৰ আজ্ঞাধীনতা
সম্পূৰ্ণ হব, প্ৰত্যেক অবাধ্যতাৰ কৰ্ম্মৰ শাস্তি দিবলৈকো
আমি যুগুত হম।
৭তোমালোকৰ সনুখত যি বিষয় আছে তাক চোৱা,
কোনোৱে যদি নিজৰ ওপৰত থকা বিশ্বাসত দৃঢ়তাৰে কয়,
মই খ্ৰীষ্টৰ মানুহ, তেন্তে তেওঁ বিবেচনা কৰি জনা উচিত
যে আমিও তেওঁৰ দৰে খ্ৰীষ্টৰ মানুহ। ৮তোমালোকক বিনষ্ট
কৰিবৰ বাবে নহয়, কিন্তু তোমালোকক বৃদ্ধি কৰিবলৈ প্ৰভূৱে
আমাক যি অধিকাৰ দিলে, আমাৰ সেই অধিকাৰত যদিও
কিছু অধিক গৰ্ব কৰো, তেও মই লজ্জিত নহম। ৯মই লিখা
পত্ৰবোৰৰ দ্বাৰায় তোমালোকক ভয় খুউৱাৰ মোৰ মনত
তেনে কোনো অভিপ্ৰায় নাই। ১০কোনো কোনোৱে কয়,
“পৌলৰ পত্ৰবোৰ বৰ শক্তিশালী আৰু গুৰুত্বপূৰ্ন, কিন্তু আমাৰ
সাক্ষাতে মানুহ হিচাপে তেওঁ হলে দুৰ্বল আৰু তেওঁৰ কথা-
বাৰ্তাও তেনে ধৰণৰ নহয়।” ১১এনে ধৰণৰ মানুহে বুজা
উচিত যে, আমাৰ অনুপস্থিত চিঠিৰ দ্বাৰায় এতিয়া যি শক্তি
প্ৰকাশ পাইছে, আমি যেতিয়া তোমালোকৰ আগত উপস্থিত
হম তেতিয়া আমাৰ কৰ্ম্মত সেই একেদৰে শক্তি দেখা পাব।
১২কিয়নো এনে কোনো মানুহৰ সৈতে আমি নিজকে
একে শ্ৰেণীত তুলনা কৰিবলৈ সাহ নকৰো, যিবিলাকে
নিজেই নিজৰ প্ৰশংসা কৰি থাকে। তেওঁলোকে
বিবেচনাহীনভাবে নিজৰেই মাজত নিজৰ পৰিমানজৰীৰে
নিজৰ সৈতে নিজৰ তুলনা কৰে।
১৩কিন্তু আমি হলে অপৰিমিতভাবে গৰ্ব নকৰি, ঈশ্বৰে
যিহৰ দ্বাৰায় আমাৰ কৰ্মৰ অংশৰ পৰিমান নিৰুপন কৰি,
তোমালোকৰ ওচৰলৈকে পোৱা কৰিলে, সেই পৰিমান-
জৰীৰ পৰিমান অনুসাৰে গৰ্ব কৰিম। ১৪আমি নিজকে

অতিৰঞ্জিত কৰি গৰ্ব কৰা নাই যেনে একো নকৰাৰ দৰে, কিন্তু খ্ৰীষ্টৰ শুভৰাৰ্তাৰ সম্বন্ধত আমিহে তোমালোকৰ ওচৰলৈ প্ৰথমে গৈ পালো। ১৫আমাৰ যি কৰ্ম্ম তাতেই আমাৰ গৰ্ব সীমিত কৰিছো। অন্যই কি কৰিছে সেয়া আমাৰ গৰ্বৰ বিষয় নহয়; বৰং আমি আশা কৰো যে তোমালোকৰ বিশ্বাস যেন বাহুল্যৰূপে বৃদ্ধি পায়,আৰু তোমালোকে যেন আমাৰ কৰ্ম মহৎভাবে বিস্তাৰিত হোৱাত সহায় কৰিব পাৰা। ১৬যাতে তেতিয়া আমি তোমালোকৰ নগৰৰ বাহিৰেও আন আন ঠাইত শুভৰাৰ্তা প্ৰচাৰ কৰিবলৈ পাৰিম। আন কৰোবাৰ অঞ্চলত কৰা কৰ্মৰ বাবে আমি গৰ্ব নকৰো। ১৭কিন্তু যদি, "কোনোবাই গৰ্ব কৰিবলৈ বিচাৰে তেওঁ প্ৰভুতেই গৰ্ব কৰক।"[a] ১৮কিয়নো যি জনে নিজকে নিজে যোগ্যপাত্ৰ দেখুৱাই, তেওঁ পৰীক্ষাসিদ্ধ নহয়, কিন্তু যি জনক প্ৰভুৱে যোগ্যপাত্ৰ জ্ঞান কৰে, তেওঁহে পৰীক্ষা সিদ্ধ হয়।

### পৌল আৰু কপটীয়া পাঁচনিসকল

১১ ১মোৰ যৎকিঞ্চিত অজ্ঞানতাৰ প্ৰতি তোমালোকে যেন সহন কৰা, এই মোৰ বাঞ্ছা,কিন্তু সদ্যহতে তোমালোকে মোৰ প্ৰতি সহন কৰি আছা। ২কিয়নো মই ঐশ্বৰিক অন্তৰ্জ্বালাৰে তোমালোকৰ প্ৰতি অন্তৰ্জ্বালা অনুভব কৰিছোঁ। এই অন্তৰ্জ্বালা স্বয়ং ঈশ্বৰৰ পৰা হৈছে। কাৰণ মই খ্ৰীষ্টৰ হাতত সতী কণ্যা স্বৰূপে সমৰ্পন কৰিবৰ অভিপ্ৰায়ৰে তোমালোকক একমাত্ৰ স্বামীলৈ, অৰ্থাত খ্ৰীষ্টলৈ বাগ্দান কৰিবলৈ প্ৰতিজ্ঞা কৰিলো। ৩কিন্তু মোৰ ভয় হৈছে যেনেকৈ সেই দুষ্ট সৰ্পে তাৰ ধূৰ্ত্ততাৰ দ্বাৰায় হাৱাক ভুলাইছিল তেনেকৈ, খ্ৰীষ্টলৈ তোমালোকৰ যি অকপট ভক্তি আৰু শুদ্ধতা, তাৰ পৰা তোমালোকৰ মন কিজানি কোনোপ্ৰকাৰে চলনাৰে ভ্ৰষ্ট কৰায়। ৪কিয়নো যি জনৰ কথা আমি ঘোষনা কৰা নাই, এনে আন কোনো যীচুৰ কথা কোনোৱে যদি আহি প্ৰচাৰ কৰে, বা তোমালোকে যি আত্মা পোৱা নাই এনে এক অন্যবিধ আত্মাও যদি পোৱা,নাইবা যি শুভবাৰ্তা তোমালোকে গ্ৰহন কৰা নাই, এনে অন্য বিধ শুভবাৰ্তাও যদি তোমালোকে গ্ৰহন কৰা, তেন্তে তোমালোক ভাল সহন কৰা।

৫কিয়নো মোৰ মনত মই নিজকে সেই "মহান পাঁচনি" বিলাকতকৈ কোনো গুনেই হীন গণ্য কৰা নাই। ৬কিন্তু এইটো,সঁচা যে, যদিও মই খুব ভাল বক্তা নহও, তথাপি মোৰ জ্ঞান সীমিত নহয় আৰু তাক তোমালোকৰ মাজত সকলো বিষয়তে স্পষ্টকৈ প্ৰকাশ কৰিলো।

৭তোমালোক যাতে উন্নত হোৱা তাৰ কাৰণে মই নিজকে সৰু কৰি,বিনামূল্যে ঈশ্বৰৰ শুভৰাৰ্তা তোমালোকৰ মাজত প্ৰচাৰ কৰোতে মই কি পাপ কৰিলো নে? ৮তোমালোকৰ পৰিচৰ্য্যাৰ বাবে আন মণ্ডলী পৰা ধন লৈ মই কি তেওঁলোকৰ ধন অপহৰণ কৰিলো; ৯আৰু তোমালোকৰ তাত থাকোতে, যেতিয়া মোৰ নাটনি আছিল, তেতিয়া মই তোমালোকৰ কাৰো ওপৰত ভাৰ নিদিলো, কিয়নো ভাই বিলাকে মাকিদনীয়াৰ পৰা আহি মোৰ সকলো অভাৱ দূৰ কৰিলে, আৰু কোনো বিষয়তে তোমালোকৰ ওপৰত ভাৰ নিদিয়াকৈ মই নিজকে ৰাখিলো, আৰু সেইদৰেই ৰাখিম। ১০খ্ৰীষ্টৰ সত্যতা মোৰ লগত থকাত আখায়াৰ কোনো অঞ্চলতে মোক এই গৰ্ব কৰাৰ পৰা কোনেও বিৰত কৰিব নোৱাৰিব। ১১কিয়? কি মই তোমালোকক প্ৰেম নকৰাৰ কাৰণে নে? ঈশ্বৰ জানে যে, মই তোমালোকক প্ৰেম কৰো।

১২কিন্তু এতিয়া মই যিহকে কৰিছোঁ, সেই কৰ্ম্মকে কৰি থাকিম কাৰণ যিবিলাকে গৰ্ব কৰাৰ সুযোগ বিচাৰি থাকে, তেওঁলোকৰ সেই সকলো উপায় যাতে খণ্ডন হয় আৰু তেওঁবিলাক যেন আমাৰ নিচিনা হৈ পৰে। ১৩কিয়নো তেনেকুৱা মানুহ ভাৰিঁ-কোৱা পাঁচনি,আৰু প্ৰৱঞ্চক কৰ্মচাৰী,তেওঁবিলাক খ্ৰীষ্টৰ পাঁচনিৰ বেশ ধৰা মানুহ। ১৪ই আচৰিত নহয়, কিয়নো চয়তানে নিজকে দীপ্তিময় স্বৰ্গদূতৰ বেশ ধৰে। ১৫গতিকে তাৰ পৰিচাৰকবিলাকেও ধাৰ্মিক দাসবিলাকৰ বেশ ধাৰণ কৰা, ই বৰ মহৎ বিষয় নহয়, কিন্তু নিজৰ নিজৰ কৰ্মৰ দৰে সিহঁতৰ শেষ হব।

### পৌলৰ যাতনা সমূহ

১৬মই আকৌ কওঁ, কোনেও মোক মূৰ্খ বুলি মনতে নাভাবক, কিন্তু যদিও ভাবা, তথাপি মই অলপ হলেও গৰ্ব কৰিব পাৰো, তাৰ কাৰণে মোক মূৰ্খৰ দৰেই গ্ৰহন কৰিবা। ১৭এতিয়া মই যি কওঁ তাক প্ৰভুৰ দৰে নকৈ কিন্তু এক অজ্ঞানৰ নিচিনাকৈ এই গৰ্ব কৰিছোঁ। ১৮কিয়নো অনেকে জাগতিক জীৱনৰ বিষয়ে গৰ্ব কৰে, সেয়ে মইয়ো গৰ্ব কৰিম। ১৯কিয়নো তোমালোকে জ্ঞানী হোৱা হেতুকে অজ্ঞান লোকসমূহৰ প্ৰতি আনন্দৰে সৈতে সহন কৰিবা। ২০মই এই কাৰণেই কৈছো যিহেতু কোনোবাই তোমালোকক বলপূৰ্বক কাম কৰায় বা দূৰ্ব্যৱহাৰ কৰে। আনকি, তোমালোকক যিবিলাকে প্ৰৱঞ্চনা কৰি ফান্দত পেলাই, অৱজ্ঞা কৰি হীন ভাবে চাই, নাইবা তোমালোকৰ মূখত মাৰে তথাপি তোমালোকে সকলো সহন কৰিছা।। ২১এনে কৰ্ম কৰিবলৈ আমি যে অতি "দুৰ্বল" এই কথা মই লাজ পায় স্বীকাৰ কৰিছো!

কিন্তু গৰ্ব কৰাৰ নিচিনা যথেষ্ট সাহস যদি কাৰো,মই মূৰ্খ নিচিনা কথা কৈছো, তেন্তে ময়ো সাহেৰে গৰ্ব কৰিম। ২২তেওঁলোকে কি? মই সেয়ে। তেওঁবিলাক ইব্ৰী লোক নে? ময়োহওঁ।তেওঁবিলাকইস্ৰায়েলীয়ানে?ময়োহওঁ।তেওঁবিলাক আব্ৰাহামৰ বংশৰ নে? ময়ো হওঁ।২৩তেওঁলোবিলাক খ্ৰীষ্টৰ পৰিচাৰক নে? এনে কথা মই বলীয়াৰ দৰে কৈছো কাৰণ, মই তেওঁলোকতকৈ অনেক অধিক খ্ৰীষ্টৰ সেৱা কৰিছোঁ। মই তেওঁলোকতকৈ অনেক অধিক কঠোৰ পৰিশ্ৰম আৰু সঘনাই বন্দীশালৰ বন্ধনত,বৰ্বৰ প্ৰহাৰত আঘাতিত, আৰু আনকি বহুবাৰ মৃত্যুৰ সন্মূখীন হৈছো।

২৪যিহুদীবিলাকৰ পৰা পাঁচবাৰ চাবুকেৰে শাস্তিৰ ৩৯ কোব খাইছো। ২৫তিনিবাৰ মোক লাঠিৰে কোবোৱালে, এবাৰ মোক শিল দলিয়াই মাৰি পেলাবলৈ লৈছিল, তিনিবাৰ

[a] **১০:১৭** উদ্ধৃত যিৰিমিয়া ৯:২৪

জাহাজ ভগাৰ দুখ পালো, সমুদ্ৰৰ অগাধ জলত এদিন
এৰাতি কটালো। ২৬মোৰ যাত্ৰাত প্ৰায়েই নদীৰ পৰা হোৱা
সংকটৰ, ডকাইতৰ হাতত পৰা সংকটৰ, মোৰ নিজৰ যিহুদী
মানুহবিলাকৰ পৰা পোৱা সমস্যাৰ, আৰু অযিহুদীবিলাকৰ
পৰা পোৱা সমস্যাৰ সন্মুখীন হৈছো। নগৰৰ মাজত থাকি
পোৱা বিপদ, অৰণ্যত থাকি পোৱা বিপদত আৰু সমুদ্ৰত
থকাৰ সঙ্কটত, আৰু কেতিয়াবা ভাৰীঁকোৱা বিশ্বাসী আৰু
কপটীয়া ভাইবিলাকৰ মাজত থাকি বিপদত পৰিছো।
২৭মই কঠোৰ আৰু অক্লান্ত পৰিশ্ৰম কৰিছো, আৰু
বহুতো সময়ত টোপনি খতিত আছো। অনেক দিন,
ভোক-পিয়াহত অনাহাৰে থাকি কষ্ট পাইছো,জাৰ পোৱাতো
বিনা কপোৰেৰে আছো। ২৮ইয়াৰ ওপৰিও আৰু অনেক
সমস্যা থাকোতেও, আৰু এটি সমস্যা মোৰ ওপৰত হেঁচি
ৰাখিছিল, সেয়া হল সকলো মণ্ডলীবিলাকৰ প্ৰতি চিন্তা।প্ৰতি
দিনেই মোৰ প্ৰতিটো মণ্ডলীৰ চিন্তাত মই ভাৰগ্ৰস্থ হৈছো
২৯কোনজনৰ দুৰ্ব্বলতাত মই দুৰ্ব্বল হোৱা
৩০মই যদি অহঙ্কাৰ কৰিবলগীয়া হয়, তেন্তে মোৰ
বিভিন্ন দুৰ্বলতাৰ বিষয়েই অহঙ্কাৰ কৰিম। ৩১ঈশ্বৰে জানে
মই মিছলীয়া নহয়,তেওঁৰেই ঈশ্বৰ আৰু আমাৰ প্ৰভু যীচু
খ্ৰীষ্টৰ পিতৃ, তেওঁৰ প্ৰশংসা চিৰকাললৈকে কৰা হওক।
৩২যেতিয়া দম্চেকত মই আছিলো, তেতিয়া ৰাজ্যপালৰ
অধীনস্থ ৰজা আৰিতাচে মোক বন্দী কৰাৰ আশয়েৰে সেই
নগৰৰ চাৰিওফালে পহৰা দিয়াইছিল। ৩৩কিন্তু মোৰ কিছু
বন্ধুসকলে মোক এটা ৰচী বন্ধা পাচিত ভৰাই দেৱালৰ ফুটাই
দি তললৈ নমাই দিছিল। এইদৰে সেই শাসনকৰ্তাৰ হাতৰ
পৰা ৰক্ষা পালো।

### পৌলৰ জীৱন এক বিশেষ আৰ্শীবাদ

১২ ১গৰ্ব কৰা মোৰ প্ৰয়োজন, যদিও ইয়াৰ দ্বাৰা
কোনো লাভ নহয়।কিন্তু এতিয়া মই দৰ্শন আৰু
প্ৰভূৰ প্ৰকাশনৰ বিষয়ে কথা কম। ২মই খ্ৰীষ্টত এনে এজন
মানুহক জানো, চৌদ্ধ বছৰৰ আগেয়ে যিজনক তৃতীয়
স্বৰ্গ লৈ যোৱা হৈছিল, (সশৰীৰেৰে নে নিশৰীৰেৰে তাক
নাজানো, কিন্তু ঈশ্বৰহে জানে)। ৩-৪আৰু মই জানো,এই
মানুহজনক পৰম দেশলৈ নিয়া হৈছিল, কিন্তু, (সশৰীৰেৰে
নে নিশৰীৰেৰে তাকেহে মই নাজানো, ঈশ্বৰহে জানে)।
তেওঁক স্বৰ্গলৈ উঠাই নিয়া হৈছিল। তেওঁ এনেকুৱা কথা
শুনিবলৈ পাইছিল যে তাক বৰ্ণমা কৰিব নোৱাৰি আৰু তাক
কবলৈ মানুহক অনুমতি দিয়া নাই। ৫এনেধৰণৰ মানুহৰ
বাবে গৰ্ব কৰিম; কিন্তু নিজৰ বাবে গৰ্ব নকৰিম। কেৱল মোৰ
বিভিন্ন দুৰ্বলতাৰ বাবেহে গৰ্ব কৰিম।
৬কিন্তু যদিও মই নিজৰ বিষয়ে গৰ্ব কৰো তথাপি মই মূৰ্খ
নহম, কাৰণ মই সত্য কথাই কম। তথাপি নিজৰ বিষয়ে আৰু
অধিক নকম কিয়নো মোক তেওঁলোকে যেনেকৈ দেখা
পাইছে আৰু মোৰ কথা যেনেকৈ শুনিছে, তাতোতকৈ
অধিক শ্ৰেষ্ট বুলি যাতে তেওলোকে মোৰ বিষয়ে মনত
নাভাবে।
৭কিন্তু মোলৈ প্ৰকাশিত হোৱা আচাৰ্য্য বিষয়সমূহৰ
কাৰণে মই যাতে গৰ্ব নকৰো, তাৰবাবে মোৰ শৰীৰত এটা
কাঁইট দিয়া হল। অৰ্থাৎ চয়তানৰ এক দূতৰ দ্বাৰা মোক
অতিশয় যাতনা দিয়া হল, যাতে মই কোনোজনতকৈ
উত্তম বুলি গৰ্ব নকৰো। ৮এই বিষয়ে মই প্ৰভুৰ ওচৰত
তিনিবাৰ প্ৰাৰ্থনা কৰিলো, যাতে এই সমস্যাৰ পৰা মই
মুক্ত হওঁ। ৯কিন্তু প্ৰভূৱে মোক কলে, “মোৰ যি অনুগ্ৰহ
সেয়ে তোমাৰ বাবে যথেষ্ট; কিয়নো তোমাৰ দুৰ্বলতাতহে
মোৰ শক্তি সম্পূৰ্ণভাবে তোমাত সিদ্ধ হব।” গতিকে মই
মোৰ বিভিন্ন দুৰ্বলতাত আনন্দৰে গৰ্বহে কৰিম, যাতে খ্ৰীষ্টৰ
শক্তি মোৰ ওপৰত নিবাস কৰে। ১০হয়, মই দূৰ্বলতাসমূহত
আনন্দ কৰিম যদি সেই সকলো খ্ৰীষ্টৰ পক্ষে হয়। এই
হেতুকে খ্ৰীষ্টৰ হকে মোৰ সকলো অপমানত, তাড়না
পোৱাত, কঠিন সমস্যাত, সঙ্কট, বিপৰ্জয়ৰ সময়ৰ মাজত
মই আনন্দিত। যিহেতু মই খ্ৰীষ্টৰ নিমিত্তে, যেতিয়াই মই
দুৰ্বল, তেতিয়াই মই বলবান।

### কৰিন্থীয়াৰ বিশ্বাসী সকললৈ পৌলৰ প্ৰেম

১১মই মূৰ্খৰ নিচিনা কথা কওঁ; তোমালোকেই মোক তেনে
কৰিলা। কিয়নো মোৰ প্ৰশংসা কৰা তোমালোকৰ উচিত
আছিল, যদিও মই যোগ্য নহও, তথাপি সেই “মহান পাঁচনি”
সকলতকৈ কোনো গুনে হীন নহও। ১২তোমালোকৰ তাত
থকা সময়ত মই যে এগৰাকী পাঁচনি তেওঁৰ সকলো সাক্ষ্য
মই তোমালোকক দিছিলো আৰু প্ৰকৃত পাঁচনিৰ দৰে ধৈৰ্য্য
সহকাৰে বিভিন্ন আচৰিত চিন,অদ্ভূত লক্ষন, পৰাক্ৰমৰ
কৰ্ম্ম সম্পন্ন কৰিলো। ১৩গতিকে আন সকলো মণ্ডলীয়ে
যি পাইছে সেই একেদৰে তোমালোকেও সকলো পালা।
তেন্তে তোমালোকে কোনটো বিষয়ত আন মণ্ডলী পৰা
নিকৃষ্ট হলা? কেৱল এটি বিষয়ত তোমালোক ভিন্ন। মই
তোমালোকৰ বোজা হোৱা নাই, এনে অন্যায় যদি হৈছে,
সেই সকলো পাহৰি মোক ক্ষমা কৰিবা।
১৪চোৱা, এই তৃতীয়বাৰৰ বাবে মই তোমালোকৰ ওচৰলৈ
যাবলৈ যুগুত হৈছো। আৰু এইবাৰো মই তোমালোকৰ
ভাৰস্বৰূপ নহম, কিয়নো মই তোমালোকৰ পৰা কোনো
সম্পত্তি বিচাৰা নাই, মই কেৱল তোমালোককহে বিচাৰো।
কিয়নো পিতৃ-মাতৃৰ বাবে সঞ্চয় কৰা সন্তানৰ কৰ্তব্য নহয়,
কিন্তু সন্তানৰ বাবেহে পিতৃ- মাতৃৰ সঞ্চয় কৰা কৰ্তব্য।
১৫সেইদৰে মোৰ যি আছে সেই সকলো তোমালোকৰ
নিমিত্তে আনন্দৰে দিম, এনে কি তোমালোকৰ বাবে মই
নিজকে উৎসৰ্গা কৰিম।যদি তোমালোকৰ প্ৰতি মোৰ প্ৰেম
যেতিয়া বাঢ়ি যায়, তেতিয়া মোৰ প্ৰতি তোমালোকৰ প্ৰেম
কি কম হব?
১৬বাৰু, যি কি নহওক, এই কথা ঠিক যে মই
তোমালোকৰ ওপৰত বোজা হৈ পৰা নাই; কিন্তু
তোমালোকে ভাবা নেকি বুধিয়ক হৈ ছলেৰে মই
তোমালোকক ধৰিলো। ১৭মই যিবিলাকক তোমালোকৰ
ওচৰলৈ পঠাইছিলো, তেওঁলোকৰ কোনো মানুহৰ দ্বাৰায়

মই কি তোমালোকক ঠগিলো? তোমালোকে জানা যে
মই তেনে কৰা নাই। ১৮মই তীতক তোমালোকৰ ওচৰলৈ
যাবলৈ উদগাইছিলো আৰু তেওঁৰ সৈতে আমাৰ সেই
ভাইকো পঠিয়ালো। তীতে কিবা সুযোগ লৈ তোমালোকক
ঠগাইছিল নে? নহয়,তোমালোকে জানা যে তেওঁৰ কৰ্ম
আৰু আচৰণ, আমাৰ দৰে একে আত্মাৰ।

১৯ইমান সময়লৈকে, হয়তু তোমালোকে মনতে
ভাবিছা নেকি, তোমালোকৰ ওচৰত আমি নিজকে
নিৰ্দোষী দেখুৱাবলৈ যত্ন কৰিছো? নহয়,আমি এইবোৰ
কথা খ্ৰীষ্টত আৰু ঈশ্বৰৰ সন্মুখত কৈছো। প্ৰিয় বন্ধুসকল,
তোমালোকক আত্মিকভাবে বলবান কৰাৰ বাবে আমি এই
সকলোবোৰ কৰ্ম্ম কৰিলো। ২০কাৰণ মোৰ ভয় আছে, যে
মই যোৱাৰ সময়ত তোমালোকক যি ৰূপত দেখা পাৱলৈ
ইচ্ছা কৰিম হয়তো কিজানি, তেনে ৰূপত দেখা নাপাম,
আৰু মোৰ ভয় হয় তোমালোকে মোক যি ৰূপত দেখা
পাবলৈ ইচ্ছা কৰিবা, হয়তো কিজানি তেনে ৰূপত মোক
দেখা নাপাব পাৰা। মোৰ ভয় হৈছে কিজানি মই গৈ হয়তো
তোমালোকৰ মাজত বাদ-বিবাদ,ঈৰ্ষা,খং-ৰাগ,বিৰোধ,
পৰ-চৰ্চা,ফুচফুচাই কোৱা, অহংঙ্কাৰ,হুৰামূৰা, আৰু বিশৃঙ্খলা
এই সকলো দেখা পাম। ২১মোৰ ভয় হৈছে, পাছে যেতিয়া
মই আকৌ তোমালোকৰ তালৈ পুনৰ যাম মোৰ ঈশ্বৰে
যেন তোমালোকৰ আগত মোক নম্ৰ কৰিব। যাতে
যিবিলাকে আগেয়ে পাপ কৰি হেৰাই আছে তেওঁলোকৰ
বাবে শোক কৰিব পাৰো। তেওঁলোকৰ অনেকে এতিয়াও
লিপ্ত হৈ থকা নিজৰ দুষ্ট কৰ্ম, অশুচি কাৰ্য্য, লম্পট আচৰণ,
ব্যাভিচাৰ আদি লজ্জাজনক পাপকৰ্ম্মৰ মন্দ জীৱনৰ কাৰণে
তেওঁলোকৰ অন্তৰত কোনো খেদ আৰু পৰিবৰ্তন নাই।

## শেষ সতৰ্ক বাণী আৰু শুভেচ্ছা

১৩
১এই তৃতীয়বাৰৰ বাবে মই তোমালোকৰ
ওচৰলৈ গৈছো। “দুজন বা তিনি জনৰ সাক্ষ্যৰ
দ্বাৰা প্ৰত্যেক গোচৰ নিস্পত্তি কৰা উচিত।” ২দ্বিতীয়বাৰ মই
যেতিয়া তোমালোকৰ তালৈ গৈছিলো, তেতিয়া যিবিলাকে
পাপত জীবনযাপন কৰিছিল তেওঁলোকক মই তৎক্ষণাত
সতৰ্ক কৰি দিছিলো। এতিয়া যদিও মই দূৰত তথাপি
আকৌ তোমালোকক আগেয়ে সাৱধান কৰিছোঁ। যেতিয়া
মই পুনৰায় তোমালোকক দেখা কৰিবলৈ আহিম, তেতিয়া
পাপত থকাবিলাকে শাস্তি পাব। ৩কিয়নো খ্ৰীষ্টে, যে মোৰ
দ্বাৰাই কথা কয়, ইয়াৰ তোমালোকে প্ৰমান বিচাৰিছা।
তেওঁ তোমালোকৰ বিৰুদ্ধ ব্যৱস্থা বিষয়ে দুৰ্বল ঈশ্বৰ নহয়,
কিন্তু তোমালোকৰ মাজত তেওঁৰ শক্তিৰ প্ৰকাশ কৰিছে।
৪কিয়নো এইটো সত্য যে খ্ৰীষ্ট যেতিয়া ক্ৰুচবিদ্ধ হৈছিল
তেতিয়া তেওঁ দুৰ্বল; কিন্তু ঈশ্বৰৰ শক্তিৰে তেওঁ এতিয়া
জীৱিত। এইটোও সত্য যে আমিও তেওঁত দুৰ্বল আছো
তোমালোকৰ বাবে, কিন্তু আমি ঈশ্বৰৰ শক্তিৰ দ্বাৰা তেওঁৰে
সৈতে নিবাস কৰিম।

৫নিজৰ প্ৰতি লক্ষ্য কৰা, তোমালোকৰ বিশ্বাস আছে নে
নাই তাৰ পৰীক্ষা কৰা আৰু প্ৰমান চোৱা। তোমালোকে
কি নাজানা খ্ৰীষ্ট যীচু তোমালোকত নিবাস কৰে?
কিন্তু যদি তোমালোকৰ অন্তৰত সেই বিশ্বাসৰ সাক্ষ্য
নোপোৱা, তেন্তে খ্ৰীষ্ট তোমালোকৰ মাজত নাই। ৬কিন্তু
মই আশা কৰো তোমালোকে যেন অপ্ৰমানিক লোক
নোহোৱা। ৭আমাৰ ঈশ্বৰৰ ওচৰত এই প্ৰাৰ্থনা কৰো, যাতে
তোমালোকে কোনোৰকমৰ কুকৰ্ম নকৰা। ইয়াৰ অৰ্থ এই
নহয় যে আমি যে প্ৰমানিত হৈছো, কিন্তু আমি অপ্ৰমানিকৰ
নিচিনা হলেও, তোমালোকে যেন সৎকৰ্ম কৰা। ৮কিয়নো
আমি সত্যৰ বিপক্ষে একো কৰিব নোৱাৰো, কেৱল সত্যৰ
পক্ষেহে কৰিব পাৰো। ৯তোমালোকে বলৱান হলে আমাৰ
দুৰ্বলতাত আনন্দ কৰো।আৰু এই বাবেই প্ৰাৰ্থনা কৰো,
যাতে তোমালোকৰ খ্ৰীষ্টয় জীৱন সম্পূৰ্ন হৈ উঠে। ১০এই
কাৰণে মই তোমালোকৰ ওচৰলৈ অহাৰ আগেয়ে এই
সকলো কথা লিখিছো; যাতে মই যেতিয়া তোমালোকৰ
ওচৰলৈ আহিম, তেতিয়া মোৰ যাতে তোমালোকক শাস্তি
দিবৰ বাবে আৰু ক্ষমতা প্ৰয়োগ কৰিবলগীয়া নহয়। সেই
ক্ষমতা তোমালোকক ভাঙি পেলোৱাৰ বাবে নহয়, কিন্তু
তোমালোকৰ আত্মিক জীৱনৰ গতি বৃদ্ধি কৰাৰ বাবেহে
প্ৰভুৱে মোক দিছিল।

১১এতিয়া,শেষতে মোৰ ভাইভনীসকল, তোমালোকে
আনন্দৰে পৰিপূৰ্ন হোৱা। সকলো সিদ্ধতাৰ বাবে চেষ্টা কৰা,
আৰু মই যি কৈছিলো সেই অনুসৰি কৰ্ম্ম কৰা, উৎসাহী
হোৱা,পৰস্পৰে মিলা-প্ৰীতিত শান্তিৰে থাকা, তাতে প্ৰেম
আৰু শান্তিৰ ঈশ্বৰ তোমালোকৰ লগত থাকিব।

১২পবিত্ৰ চুমাৰে পৰস্পৰে মঙ্গলবাদ জনোৱা। ঈশ্বৰৰ
সকলো পবিত্ৰ লোকে তোমালোকলৈ শুভেচ্ছা জনাইছে।

১৩প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ, ঈশ্বৰৰ প্ৰেম আৰু পবিত্ৰ
আত্মাৰ সহভাগিতা তোমালোকৰ সকলোৰে সৈতে থাকক।